তোমালোকে তোমালোকৰ শাৰীবিলাক পোন কৰি লোৱা। কিয়নো শাৰীবিলাক পোন কৰি লোৱাটো হৈছে চালাতৰ পৰিপূৰ্ণতাৰ অন্তৰ্ভুক্ত।

আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: তোমালোকে তোমালোকৰ শাৰীবিলাক পোন কৰি লোৱা। কিয়নো শাৰীবিলাক পোন কৰি লোৱাটো হৈছে চালাতৰ পৰিপূৰ্ণতাৰ অন্তৰ্ভুক্ত। [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মুচল্লীসকলক নিৰ্দেশ দিছে যে, তেওঁলোকে যেন নিজৰ শাৰীবোৰ চিধা কৰি লয়। তেওঁলোকৰ কোনেও যেন আগুৱাই অথবা পিছুৱাই থিয় নহয়। শাৰী চিধা কৰি লোৱাটো হৈছে নামাজৰ পৰিপূৰ্ণতাৰ অন্তৰ্ভুক্ত। আনহাতে শাৰী বেঁকা হোৱা বা বিচ্ছিন্ন হোৱাটো হৈছে নামাজৰ ত্ৰুটি আৰু অপূৰ্ণতা।

https://sunnah.global/hadeeth/as/show/3031